
# ঘৰিয়াল




শংকৰ

অংকন শলি্পীঃ অতনু ৰয়

'কথা'ৰ দ্বাৰা প্ৰকাশিত এক 300m থিংকবুক

সকলোৱে মোক ৰাজা বুলি মাতে। কেৰালাৰ এখন সৰু গাঁৱত মই মোৰ ককা আৰু আইতাৰ লগত থাকোঁ।

এবাৰ মই এটা প্ৰকাণ্ড ঘৰিয়াল আমাৰ ঘৰৰ পুখুৰীটোত দেখিছিলো।



ঘৰিয়ালটো তাত থকাত মোৰ কোনো আপত্তি নাছিল। কিন্তু সি পুখুৰীটোৰ মাছবোৰ খাই পেলোৱাটো মই বিচৰা নাছিলো।



গছ এজোপাৰ কাষতে ৰৈ মই তাৰ গালৈ ইটাৰ চপৰা এটা মাৰি দিছিলোঁ। সি সাউতকৈ আঁতৰি দিলে আৰু পানীৰ তললৈ সোমাই গ'ল।



তেতিয়াহলে মই এডাল ৰছীকে ব্যৱহাৰ কৰোঁ নেকি? আমাৰ গৰুবোৰক গোহালিত এডাল শকত আৰু দীঘল ৰছীৰে বান্ধি ৰখা হয়। কিন্তু, ককাই মোক ৰছী ডাল নিবলৈ নিদিব। সেয়ে মই ককা বাহিৰলৈ যোৱালৈকে অপেক্ষা কৰিব লাগিব।

তাৰপিছত মই মনে মনে এডাল ৰছী লৈ পুখুৰীৰ পাৰলৈ গ'লো। ৰছীডালৰ এটা মূৰত ফাঁচ লগালোঁ আৰু আনটো মূৰ এজোপা গছত বান্ধি দিলোঁ।

পিছদিনা ৰাতিপুৱা মই পুখুৰীটোৰ পাৰলৈ দৌৰি গ'লো। ৰছীডালত এটা প্ৰকাণ্ড ঘৰিয়াল বন্দী হৈ আছে! মোক দেখি ঘৰিয়ালটোৱে মুখখন মেলি ডাঙৰকৈ শব্দ এটা কৰি খেদি আহিল।



খবৰটো বিয়পি পৰিল। বহুত মানুহ আহিল। আমাৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষকসকলো আহিল।

মোৰ নিজকে এজন হিৰোৰ দৰে অনুভৱ হ'ল। মানুহৰ জুমৰ পৰা কিছুমানে ঘৰিয়ালটোক আঘাত কৰিছিল। মই কৈছিলো যে এইটো মোৰ ঘৰিয়াল আৰু মই ইয়াক মুকলি কৰি দিব বিচাৰো।




কিন্তু তেওঁলোকে মোক কৈছিল
যে তাক মাৰি পেলাবই লাগে।
মই একেবাৰে অকলশৰীয়া আৰু
অসহায় হৈ পৰিছিলো।

তেনেতে, ককা আহিল।
ঘৰিয়ালটোক বচাব পৰা তেৱেঁই
একমাত্র মানুহ আছিল।

ককাই বহুত ডাঙৰকৈ চিঞৰি ক'লে যে
কোনেও ঘৰিয়ালটোক আঘাত নকৰিব।
তাৰপিছত ককাই মোক চিঞৰি ক'লে,
'ৰাজা, ঘৰিয়ালটোক এতিয়াই মুকলি
কৰি দিয়া'।



আমি ঠিক কৰিলো যে ঘৰিয়ালটোক
মন্দিৰৰ ওচৰৰ বহুত ঘৰিয়াল থকা
ডাঙৰ পুখুৰীটোত এৰি আহিম।



আমি এটা দীঘল মৈ আৰু ঘৰিয়ালটোক লৈ সেই পুখুৰীটোলৈ গ'লো। তাৰপিছত ঘৰিয়ালটোক পানীৰ কাষলৈ লৈ গ'লো।

আঠজন মানুহে যেনেতেনে মৈটোৰ সহায়ত ঘৰিয়ালটোক লৰচৰ কৰিব নোৱাৰাকৈ দুয়ো ফালে হেচি ধৰি বান্ধি ৰাখিলে।

তাৰপিছত তাক বান্ধি ৰখা ৰছীডাল মই কাটি দিলোঁ। জখলাটো আঁতৰাই দিয়া লগে লগেই ঘৰিয়ালটো পুখুৰীটোত জঁপিয়াই দিলে।

অলপ দিনৰ পিছত ঘৰিয়ালটোক সেই আগৰ পুখুৰীটোত দেখা পালো, য'ত তাক মই প্ৰথমে দেখা পাইছিলো। তাত সি ৰ'দ লৈ আছিল।

শংকৰ- কে.শংকৰ পিল্লাইৰ জন্ম হৈছিল কেৰালাত। শিশু গ্ৰন্থৰ ৰচয়িতা আৰু অংকন শিল্পী হিচাপে তেওঁ পৰিচিত। ‘চিলড্ৰেনছ বুক ট্ৰাষ্ট আৰু শংকৰ ইন্টাৰনেছনেল ডলছ মিউজিয়াম’ স্থাপনৰ বাবে তেওঁ বিখ্যাত। ১৯৭৬ চনত তেওঁক পদ্ম বিভূষণ উপাধি প্ৰদান কৰা হয়।

অতনু ৰায়ে শিশুৰ বাবে এশখনতকৈও অধিক গ্ৰন্থৰ ছবি আঁকিছে। ৰায়ে এসময়ত ইণ্ডিয়া টুডেত ৰাজনৈতিক ব্যঙ্গ কাৰ্টুনিষ্টৰ চাকৰি কৰিছিল। তেওঁ ছবি অঁকাৰ বাবে চিলড্ৰেনছ চয়জ এৱাৰ্ড আৰু আইবিবিওৱাই চাৰ্টিফিকেট অফ অনাৰ পাইছিল।

KATHA

‘কথা’ বিশ্বব্যাপী স্বীকৃত এটি অ-লাভজনক সংস্থা (www.katha.org) যি ১৯৮৮ চনৰ পৰাই সাক্ষৰতাৰ পৰা সাহিত্য পৰ্যন্ত-সকলো দিশতে নিৰন্তৰভাৱে কাম কৰি আহিছে। দৰিদ্ৰ শিশুসকলৰ বাবে গ্ৰন্থ প্ৰকাশ তথা তেওঁলোকৰ শিক্ষাৰ উন্নয়নৰ ক্ষেত্ৰত ৩০ বছৰীয়া সফলতাৰ সুবাদেৰে এই অনুষ্ঠানটি পুষ্ট।

"ভাৰতৰ মুকুটত ই এটি শিক্ষামূলক ৰত্ন।" **- নায়োউকি শিনোহাৰা, ডেপুটি মেনেজিং ডিৰেক্টৰ, আই. এম. এফ**

‘পৃথিৱীৰ সকলো চহৰৰ দুৰ্দশাগ্ৰস্ততা নিৰাময়ৰ বাবে কাম কৰি থকা সৃজনীশীল প্ৰকল্পসমূহৰ অন্যতম এটি দৃষ্টান্ত হ'ল ‘কথা’।

**- চাৰ্লছ লণ্ড্ৰী, দ্যা আৰ্ট অৱ চিটি মেকিং**

‘কথা’ৰ অন্তৰাত্মাত শিশুসকলৰ বাবে এক কোমল স্থান আছে। সেয়ে ‘কথা’ই শিশুসকলৰ বাবে এনে ৰঙ-বিৰঙী ছবিসমৃদ্ধ গ্ৰন্থ সৃষ্টি কৰি আহিছে।

**-টাইম আউট।**

‘কথা’ই ধাৰণাৰ ভিত্তিত কাম কৰে যাতে শিশুসকলে বাস কৰা সম্প্ৰদায়ত আমূল পৰিবৰ্তন আনিব পাৰে।

**-পেপাৰ টাইগাৰছ**

এইটো সংস্কৰণ প্ৰথম প্ৰকাশত হৈছিল 2021 চনত।
গ্ৰন্থস্বত্ব © কথা, 1994, 2021
পাঠ্যস্বত্ব © শঙ্কৰ
চিত্ৰশিল্প স্বত্ব © কথা
এ-3, সৰ্বোদয় এনক্লেভ, শ্ৰীঅৰবিন্দ মাৰ্গ, নতুন দিল্লী-১১০০১৭
দূৰভাষঃ 91-11 4141 6600 . 4141 6610
ই-মেইলঃ editors@katha.org.
ৱেবচাইটঃ www.katha.org
ISBN 978-93-82454-65-6

আমাৰ উদ্দেশ্যঃ প্ৰত্যেক শিশুৱেই যেন ভালদৰে আৰু আনন্দৰ বাবে পঢ়িব পাৰে।

১৯৮৮ চনত স্থাপিত ‘কথা’ এটি পঞ্জীয়নকৃত অলাভজনক সংস্থা। ‘কথা’ই স্বাক্ষৰতাৰ পৰা সাহিত্যলৈকে সকলো দিশতে ধাৰাবাহিকভাৱে কাম কৰি আহিছে। পঢ়াৰ অভ্যাসক প্ৰাপ্তবয়স্ক আৰু শিশুসকলৰ বাবে আনন্দদায়ক কৰি তুলিবলৈ চেষ্টা কৰি আহিছে ‘কথা’ই। গ্ৰন্থ প্ৰকাশ আৰু বিভিন্ন সহায়-সহযোগিতাৰে ১,০০,০০০ ৰো অধিক দৰিদ্ৰ শিশুক ‘গ্ৰেড লেবেল’ পঠনৰ উপযোগী কৰি তুলিছে এই সংস্থাই।

সৰ্বস্বত্ব সংৰক্ষিত। প্ৰকাশকৰ পৰা আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশ, কোনো ৰূপতে কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব।

এই গ্ৰন্থসমূহৰ বিক্ৰীৰ পৰা পোৱা আয়ৰ ১০% অৱহেলিত শিশুসকলৰ পঢ়া-শুনা তথা আজীৱন শিক্ষাৰ কৰ্মসূচীত খৰছ কৰা হয়।




‘আই লাভ ৰিডিং লাইব্ৰেৰী’ হ’ল গ্ৰন্থৰ এক অনন্য ছিৰিজ, যি নতুন আৰু দুৰ্বল পাঠকসকলক সলসলীয়াকৈ পঢ়িবলৈ সুবিধা প্ৰদান কৰে।ই বিদ্যালয়ৰ বিভিন্ন স্তৰত থকা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰয়োজনীয়তা অনুসৰি উচ্চমানৰ বিষয়বস্তু আৰু চিত্ৰৰ লগতে বিশ্বৰ বৰেণ্য সাহিত্যিকৰ সৃষ্টি আৰু শিল্প কৰ্মক একত্ৰিত কৰিছে। আমাৰ গ্ৰন্থসমূহ গীতা ধৰ্মৰাজনৰ ‘ষ্টৰি পেদাগজী’ত প্ৰকাশ কৰা হৈছে। ই হৈছে এক অন্যতম শিক্ষামূলক মডেল, য'ত বিশেষভাৱে প্ৰথম প্ৰজন্মৰ পাঠকসকলৰ পঢ়াৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু শিশুক উচ্চ ধাৰণা আৰু এখন আকৰ্ষণীয় জগতলৈ লৈ যোৱা হয়।(TA-DAA! ভাবক, প্ৰশ্ন কৰক, আলোচনা কৰক,কাৰ্য কৰক আৰু অৰ্জন কৰক)

‘কথা’ৰ ‘হলিষ্টিক আৰ্লি লাৰ্নিং(KHEL)লেব’-এ চৰকাৰী, অ-লাভজনক আৰু বেচৰকাৰী স্কুল শিক্ষকৰ বাবে বিভিন্ন কৰ্মশালাৰ আয়োজন কৰে।অনলাইনত হোৱা এই মুখামুখি(F2F— Face-to-Face)কৰ্মশালাসমূহে শিক্ষক, বিদ্যালয়ৰ প্ৰশাসক আৰু সেস্বাসেৱকসকলক চাৰ্টিফিকেট প্ৰদান কৰে। অধিক জানিবলৈ, এই ঠিকনাত যোগাযোগ কৰক-300m@katha.org

এই সকলো ILR গ্ৰন্থ

আনন্দ লাভ আৰু অৰ্থোদ্ধাৰৰ বাবে পঢ়ক







































FOR OUR BOOKS

www.books.katha.org

ভাৰতীয় প্ৰকাশন ইতিহাসত 'কথা' হৈছে এক বিশেষ আৰু অনন্য সংযোজন।

–দা আইকনিক টাইমছ দা ইকনমিকছ টাইমছ

শিশুসকলৰ বাবে
কথা গ্ৰন্থ
ISBN 978-93-88284-81-3
9 789388 284813
www.katha.org
₹ xxx

এই ক্লু চিৰিজত